# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 17-11-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

- - - - - - - - - - - - -

১।	মণিপুৰৰ সামগ্ৰিক পৰিস্থিতি শান্তিপূৰ্ণ হ'লেও চাৰিখন জিলাত এতিয়াও ইণ্টাৰনেট সেৱা কৰ্তন। ইম্ফলত সান্ধ্য আইন জাৰি।

২।	কাৰ্বি আংলঙত  কেন্দ্ৰীয় মন্ত্ৰী বীৰেন্দ্ৰ কুমাৰৰ প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ উচ্চ পৰ্যায়ৰ পৰ্যালোচনা।

৩।	বাংলাদেশৰ সৈতে ভাৰতে সুস্থিৰ, ইতিবাচক আৰু গঠনমূলক সম্পৰ্ক বৰ্তাই ৰখাৰ বাবে কাম কৰি আছে বুলি ঢাকাস্থিত ভাৰতীয় উচ্চায়ুক্তৰ মন্তব্য।

৪।	যোৰহাটত হ'বলগীয়া শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক অধিৱেশনৰ লাইখুঁটা স্থাপন।

**আৰু**

৪।	শিৱসাগৰ জিলাৰ নামতিত দুদিনীয়া অনুষ্ঠিত ভাৰোত্তোলনৰ বিশেষ বাছনি শিবিৰৰ সামৰণি।

০০০০০

টকিঅ' অলিম্পিকত ৰূপৰ পদকজয়ী ভাৰোত্তোলক মীৰাবাঈ ছানুৱে মণিপুৰৰ শেহতীয়া হিংসাজৰ্জৰ পৰিস্থিতিক লৈ উদ্বেগ প্ৰকাশ কৰিছে। শিৱসাগৰ জিলাৰ নামতিত অনুষ্ঠিত ভাৰোত্তোলনৰ বাছনি শিবিৰত অংশ লোৱাৰ মাজতে মীৰাবাঈ ছানুৱে কয়, যে মণিপুৰত অতিশীঘ্ৰে তেওঁ শান্তি ঘূৰি অহাটো বিচাৰে। ৰাজ্যখনলৈ পূৰ্বৰ শান্তিৰ পৰিৱেশ ঘূৰাই অনাৰ ক্ষেত্ৰত কেন্দ্ৰীয় আৰু মণিপুৰ চৰকাৰে ব্যৱস্থা গ্ৰহণ প্ৰয়োজন বুলিও খেলুৱৈগৰাকীয়ে মন্তব্য কৰে।

**বাইট (মীৰাবাঈ ছানু)**

উল্লেখযোগ্য যে দুটাকৈ সম্প্ৰদায়ৰ মাজত হোৱা সংঘাতৰ পৰিণতিত শেহতীয়াকৈ মণিপুৰত পৰিস্থিতিৰ অৱনতি ঘটিছে। ৰাজ্যখনৰ  জিৰিবাম জিলাৰ পৰা ছদিন পূৰ্বে তিনিটি শিশু আৰু তিনিগৰাকী মহিলা সন্ধানহীন হোৱাৰ পাছত শেহতীয়াকৈ আটাইকেইগৰাকীৰে মৃতদেহ উদ্ধাৰ হোৱা ঘটনাক কেন্দ্ৰ কৰি ৰাজ্যখনৰ পৰিস্থিতি পুনৰ জটিল হৈ পৰিছে। শুকুৰবাৰে নিশা আৰু শনিবাৰে মৃতদেহকেইটা নদীত উদ্ধাৰ হোৱাৰ পাছত কালিৰে পৰা মেইটেই লোকৰ প্ৰতিবাদত ৰাজ্যখনৰ পৰিস্থিতি উত্তাল হৈ পৰিছে। একাংশ প্ৰতিবাদকাৰীয়ে কালি ৰাজ্যখনৰ দুজন মন্ত্ৰী আৰু তিনিজন বিধায়কৰ বাসগৃহত আক্ৰমণ কৰাৰ পাছত ইম্ফলত সান্ধ্য আইন জাৰি কৰাৰ লগতে চাৰিখন জিলাত ইণ্টাৰনেট সেৱা কৰ্তন কৰি ৰখা হৈছে। ইপিনে মণিপুৰত শান্তি শৃংখলা ঘূৰাই আনিবলৈ সুৰক্ষা বাহিনীসমূহক প্ৰয়োজনীয় পদক্ষেপ ল'বলৈ গৃহ মন্ত্ৰালয়ে নিৰ্দেশ দিছে।

০০০০০

কেন্দ্ৰীয় চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ দপ্তৰৰ মন্ত্ৰী বীৰেন্দ্ৰ কুমাৰে আজি কাৰ্বি আংলং জিলাৰ লংথু ৰংফাৰ গাঁৱত উপস্থিত হৈ ৰাইজৰ সৈতে বিভিন্ন আঁচনি সন্দৰ্ভত মত বিনিময় কৰে। মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ হিতাধিকাৰীসকলৰ সৈতেও আলোচনাত মিলিত হয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে গাঁওখনৰ জলজীৱন মিছন, অমৃত সৰোবৰ আঁচনিৰ স্থলী পৰিদৰ্শন কৰে। ইয়াৰ পাছত হাওৰাঘাট আদৰ্শ চিকিৎসালয়ত উপস্থিত হৈ ৰোগীৰ মাজত মিঠাই বিতৰণ কৰি স্বাস্থ্যৰ বুজ লয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ইয়াৰ পাছত বকলীয়াৰ ফৰলেন পথ পৰিদৰ্শন কৰে।

০০০০০

বাংলাদেশৰ সৈতে ভাৰতে সুস্থিৰ, ইতিবাচক আৰু গঠনমূলক সম্পৰ্ক বৰ্তাই ৰখাৰ বাবে কাম কৰি আছে বুলি স্পষ্ট কৰি দিছে। আজি ঢাকাত অনুষ্ঠিত বংগোপ সাগৰীয় বাৰ্তালাপত অংশগ্ৰহণ কৰি ঢাকাস্থিত ভাৰতীয় উচ্চায়ুক্ত প্ৰণয় বাৰ্মাই কয়, যে ভাৰতে বাংলাদেশৰ সৈতে শান্তি, নিৰাপত্তা, প্ৰগতি আৰু সমৃদ্ধিৰ দীৰ্ঘস্থায়ী সহযোগিতা স্থাপনত বিশ্বাস কৰে। তেওঁ কয়, যে ভাৰতৰ বিদ্যুৎ গ্ৰীডৰ জৰিয়তে নেপালৰ পৰা বাংলাদেশলৈ ৪০ মেগাৱাট বিদ্যুৎ পৰিবহণৰ আন্তঃগাঁথনি সৃষ্টি হৈছে আৰু পেট্ৰাপ'ল-বেনাপ'ল সংহত তালাচী চকীৰ সা-সুবিধাসমূহো এই মাহৰ ভিতৰতে অধিক বৃদ্ধি কৰা হ'ব। উচ্চায়ুক্তগৰাকীয়ে দুই দেশৰ নাগৰিকসকলৰ মাজত থকা মৈত্ৰী আৰু সহযোগিতাৰ বান্ধোন অধিক শক্তিশালী কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

০০০০০

কেন্দ্ৰীয় চৰকাৰে নিৰপেক্ষ বিশেষজ্ঞ দলৰ দ্বাৰা জলজীৱন আঁচনিৰ ক্ষেত্ৰভিত্তিক নিৰীক্ষণৰ কাম আৰম্ভ কৰিছে। এই কাৰ্যসূচীৰ অধীনত মাদ্ৰাছৰ আই আই টিৰ বিশেষজ্ঞ এটা দলে আজি নগাঁও জিলাৰ বহুকেইখন আঁচনি নিৰীক্ষণ কৰে। জিলাখনৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অন্তৰ্গত নগাঁও সংমণ্ডলৰ জুৰিয়া, দলংঘাট, ৰূপহী, পাখিমৰীয়া আৰু কঠিয়াতলি উন্নয়ন খণ্ডৰ অন্তৰ্গত জলজীৱনৰ কেইবাখনো আঁচনি দলটোৱে নিৰীক্ষণ কৰে। মাদ্ৰাছৰ আই আই টিৰ দলটোক জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তা গগন তালুকদাৰ আৰু সহকাৰী কাৰ্যবাহী অভিযন্তা ৰূপজ্যোতি বৰদলৈয়ে সংগ দিয়ে। আই আই টিৰ বিশেষজ্ঞ দলটোৱে আঁচনিসমূহ নিৰীক্ষণ কৰাৰ লগতে পানী উপভোক্তা কমিটী, আত্মসহায়ক গোটৰ সদস্য, আশাকৰ্মী, অংগনৱাড়ী কৰ্মী আৰু জলদূতসকলৰ সৈতে মত বিনিময় কৰে।

০০০০০

গোলাঘাট জিলাৰ দেৰগাঁৱত তিনিদিনীয়াকৈ আয়োজিত দেৰগাঁও সাহিত্য সভাৰ শতবৰ্ষৰ সামৰণি অনুষ্ঠানৰ আজি অন্তিম দিনা মুকলি সভা অনুষ্ঠিত হয়। এই সভাখনত অসম সাহিত্য সভাৰ সভাপতি ড০ সূৰ্যকান্ত হাজৰিকা, সাহিত্য একাডেমী বঁটাপ্ৰাপক জয়ন্তমাধৱ বৰা, কৃষিমন্ত্ৰী অতুল বৰাৰ লগতে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সভাখনত ভাষাতত্ত্ববিদ ড০ নগেন ঠাকুৰক নীলমণি ফুকন বঁটা প্ৰদান কৰা হয়। অসম সাহিত্য সভাৰ সভাপতি ড০ হাজৰিকা আৰু বিশিষ্ট ব্যক্তিসকলে কৃষি সম্বন্ধীয় এখন বিশ্বকোষ প্ৰকাশ কৰা বিষয়টো কৃষিমন্ত্ৰীগৰাকীয়ে গুৰুত্বসহকাৰে লয়।

০০০০০

মৰিগাঁও জিলাৰ আঁহতগুৰিত আজি ৰজত কমল বঁটাপ্ৰাপক চলচ্চিত্ৰ পৰিচালক, অভিনেতা হেমেন দাসৰ প্ৰথম মৃত্যুবাৰ্ষিকী পালন কৰা হয়। এই উপলক্ষে প্ৰয়াত শিল্পীগৰাকীৰ আঁহতগুৰিৰ নিজা বাসভৱনত স্মৃতিচাৰণ আৰু গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। এই সভাখনত কটন বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক ড০ অকুণ্ঠিতা বৰঠাকুৰৰ সম্পাদনা আৰু গৱেষক ছাত্ৰী প্ৰিয়ম ডি জোৎস্নাৰ সহ-সম্পাদনাত প্ৰকাশ কৰা **অনুক্ত** শীৰ্ষক স্মৃতিগ্ৰন্থখন উন্মোচন কৰা হয়। অৱসৰপ্ৰাপ্ত শিক্ষক তথা সমাজকৰ্মী ৰবীন ডেকা, ভাৰতীয় প্ৰশাসনিক সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া মাধুৰিমা বৰুৱা সেন, তেজপুৰ বিশ্ববিদ্যালয়ৰ সংস্কৃতি অধ্যয়ন বিভাগৰ প্ৰাক্তন মুৰব্বী সুনীল কুমাৰ দত্ত, অভিনেত্ৰী সীতাৰাণী হাজৰিকা, চলচ্চিত্ৰ পৰিচালক সঞ্জীৱ সভাপণ্ডিত, আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ প্ৰচাৰণ কাৰ্যবাহী ইন্দ্ৰজিৎ দাস প্ৰমুখ্যে কেইবাজনো বিশিষ্ট ব্যক্তিয়ে গ্ৰন্থ উন্মোচন কৰে। সভাত সকলোৱে হেমেন দাসৰ স্মৃতি যুগমীয়া কৰাৰ বাবে তেওঁ লিখা চিনেমা বিষয়ক প্ৰবন্ধৰ সংকলন প্ৰকাশ কৰা আৰু এখন তথ্যচিত্ৰ নিৰ্মাণ কৰি নতুন প্ৰজন্মক হেমেন দাসৰ বহুমুখী প্ৰতিভাৰ বিষয়ে জনোৱা তথা গৱেষণাৰ বাট মুকলি কৰাৰ বাবে আলোকপাত কৰে।

০০০০০

যোৰহাটৰ ম'হবন্ধা এৰালতলি পথাৰত অহা বছৰৰ ৬ ফেব্ৰুৱাৰীৰ পৰা হ'বলগীয়া শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক অধিৱেশনৰ লাইখুঁটা আজি স্থাপন কৰা হয়। লাইখুঁটা স্থাপন উপলক্ষে অনুষ্ঠিত মুকলি সভাত বিত্তমন্ত্ৰী অজন্তা নেওগ, কৃষিমন্ত্ৰী অতুল বৰা, কাজিৰঙা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাৰ লগতে জিলা আয়ুক্ত উপস্থিত থাকে। বিভিন্ন প্ৰান্তৰ পৰা অহা ভক্তৰ উপস্থিতিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ ভৱেন্দ্ৰ নাথ ডেকাই লাইখুঁটা স্থাপন কৰে।

০০০০০

বাক্সা জিলাৰ জালাহত আজি অসম আৰক্ষীৰ শিশু মিত্ৰ কাৰ্যসূচীৰ অধীনত শিশু অধিকাৰ সপ্তাহ ২০২৪ উদযাপন কৰা হয়। শিমলা আৰক্ষী থানাৰ উদ্যোগত আৰু ডা০ অনন্ত একাডেমী, জালাহৰ সহযোগত আয়োজিত সভাত শালবাৰী মহকুমাৰ আৰক্ষী বিষয়া সুধন্য শুক্লবৈদ্যই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি ভাষণ প্ৰদান কৰে। ডা০ অনন্ত একাডেমীৰ অধ্যক্ষ ভৱেশ শৰ্মাই সভাপতিত্ব কৰা সভাখনত শিমলা থানাৰ ভাৰপ্ৰাপ্ত চন্দন গগৈ, জালাহ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া গায়ত্ৰী গগৈ, জালাহ উন্নয়ন সমিতিৰ সম্পাদক সত্যজিৎ দাসকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি আৰু দুই শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

০০০০০

নগাঁৱৰ আগশাৰীৰ শিক্ষানুষ্ঠান নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ৰ ১৫৯ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি দিনজোৱা কাৰ্যসূচীৰে উদযাপন কৰা হয়। এই উপলক্ষে বিদ্যালয়ৰ চৌহদত নগাঁৱৰ বিধায়ক ৰূপক শৰ্মাই প্ৰতিষ্ঠা দিৱসৰ পতাকা উত্তোলন কৰে। ইয়াৰ পাছতে আয়োজিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বিদ্যালয়খনৰ প্ৰতিষ্ঠা কালৰ পৰা জড়িত শিক্ষাগুৰু আৰু ব্যক্তিসকলক শ্ৰদ্ধাৰে সোঁৱৰণ কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি শোভাযাত্ৰা উলিওৱাৰ লগতে বিদ্যালয়ৰ প্ৰাংগণত নতুনকৈ নিৰ্মাণ কৰা দুমহলীয়া অতিৰিক্ত শ্ৰেণীকোঠাৰ উন্মোচন কৰা হয়। নগাঁৱৰ বিধায়ক শ্ৰী শৰ্মাই শ্ৰেণীকোঠাৰ দ্বাৰ উন্মোচন কৰে। আজিৰ এই অনুষ্ঠানত বিদ্যালয়খনৰ বৰ্তমানৰ অধ্যক্ষ বসন্ত গোস্বামী, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিৰ লগতে প্ৰাক্তন অধ্যক্ষ, প্ৰাক্তন শিক্ষাগুৰু আৰু প্ৰাক্তন শিক্ষাৰ্থী উপস্থিত থাকে।

০০০০০

দৰং জিলাৰ খাৰুপেটীয়াৰ উপকণ্ঠৰ বদলিবৰালি গাঁৱত আজি এটা বাঘে এজন লোকক আক্ৰমণ কৰে। স্থানীয় গাঁওৰক্ষী বাহিনীৰ সদস্য জনোৱা অনুসৰি বাঘৰ আক্ৰমণত আহত হোৱা ওমৰ আলী নামৰ লোকজনক মঙলদৈ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। খেতিপথাৰত কাম কৰি থকাৰ সময়ত অতৰ্কিতে বাঘটোৱে লোকজনক আক্ৰমণ কৰে। ইতিমধ্যে বন বিভাগ আৰু আৰক্ষীৰ লোকে ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ ওপৰত নজৰ ৰাখিছে। উল্লেখযোগ্য যে কিছুদিন পূৰ্বে ধুলা থানাৰ অন্তৰ্গত গৰাপুৰি গাঁৱত বাঘৰ আক্ৰমণত এগৰাকী মহিলা আহত হৈছিল।

০০০০০

শিৱসাগৰ জিলাৰ নামতিত দুদিনীয়া অনুষ্ঠিত ভাৰোত্তোলনৰ বিশেষ বাছনি শিবিৰৰ আজি সামৰণি পৰে। এই বাছনি শিবিৰত টকিঅ' অলিম্পিক ৰূপৰ পদকজয়ী ভাৰোত্তোলক মীৰাবাঈ ছানুৱে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে। শিৱসাগৰ জিলা ভাৰোত্তোলন সন্থাৰ উদ্যোগত আৰু অসম ভাৰোত্তোলন সন্থাৰ সহযোগত অনুষ্ঠিত এই শিবিৰত ৰাজ্যখনৰ তিনিশতাধিক প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। উত্তৰ প্ৰদেশ শ্ৰীৰাম ফাউণ্ডেচনৰ দ্বাৰা পৰিচালিত আৰু মীৰাবাঈ ছানুৰ নেতৃত্বত সম্পন্ন হোৱা এই শিবিৰৰ পৰা প্ৰতিভাৱান ভাৰোত্তোলক বাছনি কৰা হয়। এই শিবিৰৰ পৰা নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীয়ে শ্ৰীৰাম স্পৰ্টছ একাডেমীত উন্নত প্ৰশিক্ষণ লোৱাৰ সুযোগ লাভ কৰিব। উল্লেখযোগ্য যে উত্তৰ-পূৰ্বাঞ্চলৰ পৰা ভাৰোত্তোলনৰ নতুন প্ৰতিভা চিনাক্ত কৰি দেশৰ সম্পদ হিচাপে গঢ়ি তোলাৰ প্ৰয়াস কৰাৰ বাবে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি মীৰাবাঈ ছানুৱে মন্তব্য কৰে।

০০০০০

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিত উপ-নিৰ্বাচনৰ ভোটগ্ৰহণ, নতুন দিল্লীত প্ৰথম বড়োলেণ্ড মহোৎসৱ, ৰাস মহোৎসৱ উদযাপন আদিকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ খবৰে বিগত সপ্তাহৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰে।

অসমৰ ছটা জনগোষ্ঠীৰ জনজাতিকৰণ প্ৰক্ৰিয়া সন্দৰ্ভত কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল ওৰামৰ মন্তব্যৰ প্ৰতিবাদত মৰাণ ছাত্ৰ সন্থা, মটক যুৱ ছাত্ৰ সন্মিলনে যোৱা সোমবাৰে আহ্বান জনোৱা ১২ ঘণ্টীয়া তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলা বন্ধৰ বিয়লি ৫ বজাত সামৰণি পৰে। তিনিচুকীয়া জিলাত এই বন্ধৰ ব্যাপক প্ৰভাৱ পৰে যদিও ডিব্ৰুগড় জিলাত এই বন্ধৰ আহ্বানে আংশিক সঁহাৰিহে লাভ কৰে। আকাশবাণীৰ সংবাদদাতাই জনোৱা মতে, জিলা সদৰ তিনিচুকীয়া নগৰকে ধৰি জিলাখনৰ বিভিন্ন ঠাইত আজি পথত বাহনৰ চলাচল কম হয় আৰু দোকান-বজাৰ বন্ধ হৈ পৰে। অৱশ্যে চৰকাৰী কাৰ্যালয়, বেংক আৰু জৰুৰীকালীন সেৱাসমূহ স্বাভাৱিকভাৱে চলি থাকে। তিনিচুকীয়া জিলা প্ৰশাসনে এই বন্ধৰ পৰিপ্ৰেক্ষিতত জিলাখনত ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ ধাৰাৰ অধীনত অকৰ্তৃত্বশীলভাৱে বন্ধৰ আহ্বান জনোৱা, পথ অৱৰোধ কৰাকে ধৰি নাগৰিকৰ দৈনন্দিন কামত বাধা আৰোপ কৰা আদি সম্পূৰ্ণ নিষিদ্ধ কৰিছিল যদিও বন্ধৰ সমৰ্থকসকলে নিষেধাজ্ঞা অমান্য কৰি পথ অৱৰোধ কৰিবলৈ চেষ্টা চলায়। অৱশ্যে আৰক্ষী বাহিনীয়ে অৱৰোধকাৰীসকলক খেদি পঠিয়ায়।

০০০০০০

ন্যায়াধীশ সঞ্জীৱ খান্নাই যোৱা সোমবাৰে ভাৰতৰ ৫১ সংখ্যক মুখ্য ন্যায়াধীশ হিচাপে শপত লয়। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাষ্ট্ৰপতি ভৱনত এটা বিশেষ অনুষ্ঠানত ন্যায়াধীশ খান্নাক গোপনীয়তাৰ শপতবাক্য পাঠ

কৰোৱায়। নতুন মুখ্য ন্যায়াধীশগৰাকীয়ে অহা বছৰ মে’ৰ মাজভাগলৈকে ভাৰতৰ মুখ্য ন্যায়াধীশ হিচাপে কাৰ্যনিৰ্বাহ কৰিব।

০০০০০০

কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলে যোৱা মঙলবাৰে গুৱাহাটীত ব্ৰহ্মপুত্ৰ বোৰ্ডে আয়োজন কৰা পানীৰ উৎসৰ ব্যৱস্থাপনা সম্পৰ্কীয় দুদিনীয়া কৰ্মশালা মুকলি কৰে। কৰ্মশালাখন মুকলি কৰি দিয়া ভাষণত শ্ৰী পাটিলে কয়, যে ভাৰতৰ অৰ্থনীতি জলসম্পদৰ ওপৰত নিৰ্ভৰশীল আৰু জলাশয়সমূহক পুনৰুজ্জীৱিত কৰি তোলা অতি প্ৰয়োজন। মন্ত্ৰীগৰাকীয়ে এই ক্ষেত্ৰত সজাগতা বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয়, যে বহনক্ষম জলসম্পদৰ অবিহনে বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হ’ব পৰা নাযাব।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাত বান নিয়ন্ত্ৰণ আৰু নদী ব্যৱস্থাপনা সম্পৰ্কত নীতি আৰু কৌশলসমূহ উন্নত কৰি তোলা বিষয়ক লৈ আলোচনা কৰা হয়। এই বৈঠকত উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ লগতে বিভিন্ন মন্ত্ৰালয় আৰু বিভাগৰ শীৰ্ষ বিষয়াসকলে অংশগ্ৰহণ কৰে।

০০০০০০

বঙাইগাঁও, চামগুৰি, বিহালী, চিদলী আৰু ধলাই বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগ্ৰহণ যোৱা বুধবাৰে বিয়লি ৫ বজাত সামৰণি পৰে। চামগুৰি আৰু বিহালী সমষ্টিৰ কেতবোৰ অঞ্চলত দুষ্কৃতিকাৰীৰ দ্বাৰা আক্ৰমণ-প্ৰত্যাক্ৰমণৰ ঘটনা সংঘটিত হয় যদিও এনেধৰণৰ ঘটনাই ভোটগ্ৰহণত কোনো প্ৰভাৱ পেলাব নোৱাৰিলে বুলি আমাৰ সংবাদদাতাসকলে জানিবলৈ দিয়ে।

উপ নিৰ্বাচন অনুষ্ঠিত হোৱা এই পাঁচটা সমষ্টিৰ মুঠ এহেজাৰ ৭৮টা ভোটগ্ৰহণ কেন্দ্ৰত ভোটগ্ৰহণ সম্পন্ন হয়। ইয়াৰ ভিতৰত চিদলীৰ ২৭৩টা, চামগুৰিৰ ১৯৭টা, বিহালীৰ ১৫৪টা আৰু ধলাইৰ ২০৮টা কেন্দ্ৰ আছে। সমষ্টিকেইটাৰ উপ-নিৰ্বাচনত মুঠ ৩৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ভোটগ্ৰহণৰ জৰিয়তে ধলাই সমষ্টিৰ ৮ গৰাকী, চামগুৰিৰ ১১ গৰাকী, চিদলীৰ ৩ গৰাকী, বিহালীৰ ৪ গৰাকী আৰু বঙাইগাঁও সমষ্টিৰ ৮ গৰাকী প্ৰাৰ্থীৰ নিৰ্বাচনী ভাগ্য প্ৰায় ৯ লাখ ১২ হাজাৰ ভোটদাতাই নিৰূপণ কৰিব। এইসকলৰ মাজত ৪ লাখ ৫৫ হাজাৰ ১২৪ গৰাকী পুৰুষ আৰু ৪ লাখ ৫৬ হাজাৰ ৮৮২ গৰাকী মহিলা ভোটদাতাৰ লগতে ১৯ গৰাকী তৃতীয় লিংগৰ ভোটদাতাও আছে।

০০০০০০

অসমৰ ক্ৰীড়া ইতিহাসৰ আটাইতকৈ বৃহৎ ক্ৰীড়া প্ৰতিযোগিতা খেল মহাৰণৰ দ্বিতীয় সংস্কৰণ যোৱা বুধবাৰৰ পৰা ৰাজ্যজুৰি আৰম্ভ হৈছে। তৃণমূল পৰ্যায়ৰ ক্ৰীড়া প্ৰতিভাসমূহক বিকাশৰ মঞ্চ হিচাপে গ্ৰহণ কৰা এই প্ৰতিযোগিতাত ৭টা শাখাত প্ৰায় ৬৪ লাখ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছে। খেল মহাৰণ উপলক্ষে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শুভেচ্ছা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এই পদক্ষেপে অসমৰ বিশাল ক্ৰীড়া সম্ভাৱনা বৃদ্ধিৰ লগতে ক্ৰীড়া সংস্কৃতি বিকাশত পুনৰ এক নতুনত্বৰ সূচনা কৰিব।

০০০০০০

কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা আৰু বস্ত্ৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই যোৱা বৃহস্পতিবাৰে গোৱালপাৰা জিলা আয়ুক্ত কাৰ্যালয়ত অনুষ্ঠিত আকাংক্ষিত জিলাৰ পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় চৰকাৰৰ নীতি আয়োগৰ দ্বাৰা আকাংক্ষিত জিলা হিচাপে তালিকাভুক্ত হোৱা গোৱালপাৰা জিলাত বিভিন্ন আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত

লোৱা পদক্ষেপ সম্পৰ্কে সভাখনত পৰ্যালোচনা কৰা হয়। সভাত মন্ত্ৰী শ্ৰীমাৰ্ঘেৰিটাই গোৱালপাৰা জিলাত কেন্দ্ৰীয় চৰকাৰে কোনো প্ৰকল্প বা কেন্দ্ৰীয় চৰকাৰৰ আংশিক বিনিয়োগ থকা কোনো প্ৰকল্প ৰূপায়ণৰ ক্ষেত্ৰত যদি কিবা অসুবিধাৰ সন্মুখীন হৈ আছে তেন্তে সেই বিষয়ে এখন প্ৰতিবেদন প্ৰস্তুত কৰি দাখিল কৰিবলৈ গোৱালপাৰা জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে।

oooooo

যোৱা বৃহস্পতিবাৰ ১৪ নৱেম্বৰত শিশু দিৱস উপলক্ষে দেশৰ বিভিন্ন প্ৰান্তৰ উপৰি অসমৰ বিদ্যালয়সমূহত শিশুসকলৰ মাজত ভালেমান কাৰ্যসূচী অনুষ্ঠিত হয়। দেশৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ জন্মদিনটো প্ৰতিবছৰে শিশু দিৱস হিচাপে পালন কৰা হয়। এই দিৱসৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত খেল-ধেমালিৰ লগতে বিভিন্ন সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শিশু দিৱস উপলক্ষে শিশুসকলক শুভেচ্ছা জনাইছে। ৰাজ্যৰ বিভিন্ন জিলাত শিশু দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়।

oooooo

নতুন দিল্লীৰ কে ডি যাদৱ ৰেষ্টলিং ষ্টেডিয়ামত প্ৰথমবাৰৰ বাবে যোৱা শুকুৰবাৰৰ পৰা দুদিনীয়াকৈ বড়োলেণ্ড মহোৎসৱ অনুষ্ঠিত হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই মহোৎসৱৰ উদ্বোধনী ভাষণ দিয়ে। নিখিল বড়ো ছাত্ৰ সন্থা, বড়ো সাহিত্য সভা, গান্ধী হিন্দুস্তান সাহিত্য সভা আৰু বড়ো সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত তথা বিটিআৰ প্ৰশাসনৰ সহযোগত এই মহোৎসৱৰ আয়োজন কৰা হয়। বড়োভূমিৰ কলা-সংস্কৃতি, ভাষা সাহিত্যৰ ভিন্ন দিশ প্ৰতিফলিত কৰাৰ উপৰি অঞ্চলটোৰ প্ৰতিষ্ঠা হোৱা শান্তিৰ পৰিবেশ চিৰস্থায়ী কৰাৰ লক্ষ্যৰে এই মহোৎসৱ অনুষ্ঠিত হয়। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ঝাৰখণ্ডৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে অংশ লয়।

oooooo

যোৱা শুকুৰবাৰৰ পৰা ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৰাস মহোৎসৱৰ আয়োজন কৰা হয়। শৰৎকালৰ এই মনোৰম পূৰ্ণিমাত পালন কৰা ৰাস মহোৎসৱক কেন্দ্ৰ কৰি ৰাজ্যৰ প্ৰান্তে প্ৰান্তে উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে। বৰপেটা জিলাত আজিৰে পৰা কেইবাখনো উল্লেখযোগ্য ৰাসৰ আয়োজন কৰা হৈছে। ইয়াৰ ভিতৰত হাউলী, বৰপেটা ৰোড আৰু নগাঁৰৰ ৰাস মহোৎসৱ অন্যতম। উল্লেখযোগ্য যে হাউলী ৰাস মহোৎসৱে এইবাৰ ৯৭ সংখ্যক বৰ্ষত ভৰি দিছে। একেদৰে বৰপেটা ৰোড ৰাস মহোৎসৱ ৯৪ সংখ্যক বছৰৰ বাবে আয়োজন কৰা হৈছে। যিহেতু পশ্চিম অসমত মূৰ্তিক কেন্দ্ৰ কৰি ৰাস পালন কৰা হয়, সেইবাবে ৰাসথলীসমূহত আকৰ্ষণীয়ভাৱে মৃণ্ময় মূৰ্তিসমূহ সজাই তোলা হৈছে। ৰাসৰ কাৰ্যসূচী সুচাৰুৰূপে উদযাপনৰ বাবে জিলা প্ৰশাসন আৰক্ষীয়ে বিশেষ সুৰক্ষামূলক ব্যৱস্থা গ্ৰহণ কৰিছে। একেদৰে মঙলদৈতো সনাতন ধৰ্মসভাৰ প্ৰাংগণত দহদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে শ্ৰীকৃষ্ণৰ ৰাস উৎসৱৰ আয়োজন কৰা হৈছে। ধুবুৰী, বিলাসীপাৰা, শিৱসাগৰ, চাৰিং, তেজপুৰ, মৰিগাঁও, গোৱালপাৰা, বাক্সা, নলবাৰী ইত্যাদি ঠাইসমূহৰ পৰাও ৰাস উৎসৱ আয়োজনৰ খবৰ আমালৈ আহিছে। নলবাৰীৰ শ্ৰীশ্ৰী হৰিমন্দিৰৰ উদ্যোগত আজিৰে পৰা ১৩ দিনীয়া কাৰ্যসূচীৰে ৰাস মহোৎসৱ অনুষ্ঠিত হৈছে।

গুৱাহাটী মহানগৰীৰ বিভিন্ন প্ৰান্তত আজিৰে পৰা মূৰ্তি আৰু মানৱীয় অভিনয়ৰ মাধ্যমেৰে শ্ৰীকৃষ্ণ ৰাসলীলা উপস্থাপন কৰা হৈছে। নুনমাটি, নিউ গুৱাহাটী, ওদালবাক্ৰা, ফটাশিল আমবাৰী, গড়চুক ইত্যাদি মহানগৰীৰ বিভিন্ন প্ৰান্তত ৰাস মহোৎসৱৰ কেইবাদিনীয়া কাৰ্যসূচীৰ আজি আৰম্ভ হৈছে।

অন্যহাতে মাজুলীৰ বিভিন্ন সত্ৰসমূহত কালিৰে পৰাই ৰাস মহোৎসৱৰ কাৰ্যসূচী আৰম্ভ হৈছে যদিও আজিৰে পৰা দক্ষিণপাট, আউনিআটী, গড়মূৰ, উত্তৰ কমলা, বেঙেনাআটী, চামগুৰি, এলেংগি নৰসিংহ আদি সত্ৰসমূহকে ধৰি স্থায়ী আৰু অস্থায়ী সকলো ৰংগমঞ্চতে ৰাসলীলা অভিনয়ৰ আৰম্ভ হ'ব।

নগাঁও জিলাতো আজিৰে পৰা বিভিন্ন কাৰ্যসূচীৰে শ্ৰীশ্ৰী কৃষ্ণৰ ৰাস মহোৎসৱ অনুষ্ঠিত হ'ব। ৰাজ্যৰ অন্যান্য ঠাইত ৰাসলীলা অভিনয়ত অতুল চন্দ্ৰ হাজৰিকাৰ সৃষ্টিক মূল আধাৰ হিচাপে লোৱা হৈ যদিও নগাঁৱত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অপূৰ্ব সৃষ্টি কেলিগোপাল নাটৰ আধাৰত ৰাস মহোৎসৱ অনুষ্ঠিত কৰা হয়। জিলাখনৰ বিভিন্ন স্থানত ৪ৰ পৰা ৫দিনীয়াকৈ ৰাস মহোৎসৱ পালন কৰা হ'ব।

এয়াই আছিল বিগত সপ্তাহত আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰা বাতৰিসমূহত চমু অৱলোকন।

ooooo

সমাপ্ত